**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-03-2025 **Time :** 0755 Hrs.

# Assamese Morning Bulletin

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ অধীনত ৩ লাখ ৮৮ হাজাৰ ৩৫৮ গৰাকী হিতাধিকাৰীলৈ গৃহ অনুমোদন পত্ৰ প্ৰদানৰ কাৰ্যসূচী মুকলি কৰিব। কামৰূপ জিলাৰ পলাশবাৰীৰ ৰামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত গৃহ অনুমোদন পত্ৰ প্ৰদানৰ কেন্দ্ৰীয় কাৰ্যসূচী অনুষ্ঠিত হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ লগতে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস উপস্থিত থাকিব। বিধানসভা সমষ্টি অনুসৰি গৃহ অনুমোদন পত্ৰ প্ৰদানৰ অনুষ্ঠানত ৰাজ্য চৰকাৰৰ মন্ত্ৰী আৰু বিধায়কসকলে বিভিন্ন স্থানত এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। অৱশ্যে আদৰ্শ নিৰ্বাচনী আচৰণবিধি বলৱৎ হৈ থকাৰ বাবে বকো-ছয়গাঁও সমষ্টিত এই কাৰ্যসূচী অনুষ্ঠিত নহয়।

০০০০০০০

ব্ৰহ্মপুত্ৰৰ ওপৰত মাজুলী আৰু যোৰহাট সংযোগী দুটা লেনযুক্ত দলং নিৰ্মাণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে সংশোধিত আনুমানিক ব্যয়ত অনুমোদন জনাইছে। এই অনুসৰি দলংখনৰ নিৰ্মাণ সম্পূৰ্ণ কৰাৰ বাবে এহেজাৰ ১৯ কোটি ১৬ লাখ ৫৫ হাজাৰ ১৫ টকাৰ সংশোধিত ব্যয় নিৰ্ধাৰণ কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমযোগে এই কথা সদৰি কৰে। উল্লেখযোগ্য যে পূৰ্বে এই দলংখনৰ নিৰ্মাণ ব্যয় ৯২৫ কোটি ৪৭ লাখ টকা ধাৰ্য কৰা হৈছিল। কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ সচিবৰ অধ্যক্ষতাত গঠিত ব্যয় বিত্ত সমিতিৰ যোৱা ৬ মাৰ্চত অনুষ্ঠিত বৈঠকত এই সংশোধিত ব্যয়ত অনুমোদন জনোৱা হয়। ২০১৬ চনতে এই দলংখনৰ কথা ঘোষণা কৰা হৈছিল যদিও বিত্তীয় অনুমোদন আৰু অন্যান্য প্ৰশাসনিক কাৰণত দলংখন নিৰ্মাণত বিলম্ব হৈছিল। মুখ্যমন্ত্ৰী ড০ শৰ্মাই ২০২১ চনত দলংখনৰ আধাৰশিলা স্থাপন কৰিছিল যদিও মূল নিৰ্মাণকাৰী সংস্থাটোৱে ৩২ শতাংশ কাম কৰি এৰি যোৱাৰ বাবে যোৱা বছৰৰ ছেপ্টেম্বৰৰ পৰা দলংখনৰ নিৰ্মাণকাৰ্য বন্ধ হৈ আছে। চৰকাৰে নিৰ্মাণকাৰী সংস্থাটোক আনুষ্ঠানিকভাৱে অব্যাহতি দিয়াৰ পাছত পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ অনুমোদনমৰ্মে শীঘ্ৰেই নতুনকৈ নিবিদা প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব মুখ্যমন্ত্ৰীয়ে ইতিমধ্যে প্ৰকাশ কৰিছে।

০০০০০০০

ডিব্ৰুগড় চহৰৰ পুৰণি ৰে'ল ষ্টেচনৰ সমীপৰ হৰিজন কলনিত আৰক্ষীয়ে কালি অভিযান চলাই বুজন পৰিমাণৰ মাদকদ্ৰব্যসহ এজন যুৱকক আটক কৰে। ইপিনে, যোৰহাট জিলাৰ তিতাবৰ আৰক্ষীয়ে কালি সন্ধিয়া বৰএৰা গাঁৱত অভিযান চলাই ভালেখিনি মাদকদ্ৰব্য জব্দ কৰে। আৰক্ষীয়ে ঘটনা সংক্ৰান্তত টুটু আলী আৰু য়াছিন আলী নামৰ দুজন যুৱকক আটক কৰে।

০০০০০০০

নগাঁও চহৰৰ নেহৰুবালিৰ ভক্তিস্থলত কালিৰে পৰা তিনিদিনীয়াকৈ ত্ৰয়োদশ বাৰ্ষিক নগাঁও ভাওনা সমাৰোহ অনুষ্ঠিত হৈছে। কালি পুৱা ১৪খন ধৰ্মধ্বজা উত্তোলনেৰে সমাৰোহৰ শুভাৰম্ভ কৰা হয়। ইয়াৰ পাছতে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, গুৰু আসন প্ৰতিষ্ঠা আৰু নাম প্ৰসংগৰ আয়োজন কৰা হয়। স্থানীয় ৰাইজৰ নাম যজ্ঞৰ পাছত প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰা হয়। আজি পুৱা নাম প্ৰসংগ, দিহানাম প্ৰতিযোগিতা, সন্ধিয়া বৰগীত পৰিৱেশন আৰু ভোৰতাল নৃত্যৰ পাছত ৰামায়ণ-মহাভাৰত কাহিনীৰ আধাৰত ৯ খন খোলাত অংকীয়া ভাওনা প্ৰদৰ্শন

কৰা হ'ব। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ ভৱেন্দ্ৰ নাথ ডেকাই ভাওনা উদ্বোধন কৰিব। কাইলৈ কেলি গোপাল নাট প্ৰদৰ্শনেৰে ভাওনা সমাৰোহৰ সামৰণি পৰিব।

শিৱসাগৰ জিলা আমগুৰিৰ পেঙেৰাঘাটৰ বদলা পদ্মআতা সমন্বয় ক্ষেত্ৰত কাইলৈৰ পৰা ৩১ মাৰ্চলৈ ভাওনা সমাৰোহৰ আয়োজন কৰা হৈছে। কাইলৈ সামূহিক প্ৰাৰ্থনা, ভাগৱত শোভাযাত্ৰা আৰু মঞ্চ উদ্বোধনৰ পাছত আউনীআটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড০ মাধুৰ্যমণ্ডিত বৰুৱাই অংকীয়া ভাওনা প্ৰদৰ্শনৰ শুভাৰম্ভ কৰিব।

০০০০০০০

পশ্চিম কাৰ্বি আংলং জিলাৰ অসম-মেঘালয় সীমান্তত যোৱানিশা অচিনাক্ত দুৰ্বৃত্তই এগৰাকী বন বিষয়াক আক্ৰমণ কৰে। জিলাখনৰ তাপাত অঞ্চলত কালি বিয়লি খান্দুলিৰ খণ্ড বন বিষয়া জয়ন্তৰাম ক্ৰ'ৰে এটি সাতজনীয়া দলসহ তহল দি নিশা বন বিভাগৰ কাৰ্যালয়লৈ উভতি অহাৰ পাছত দুৰ্বৃত্তই বিষয়াগৰাকীৰ বাহনত আক্ৰমণ কৰি পলায়ন কৰে। এই সন্দৰ্ভত ইতিমধ্যে হামৰেণ আৰক্ষীলৈ এজাহাৰ প্ৰেৰণ কৰা হৈছে। অসম-মেঘালয় সীমান্তৰ বনাঞ্চলত দীৰ্ঘদিন ধৰি চোৰাংভাৱে মূল্যবান গছ-গছনি সৰবৰাহ কাৰ্যৰ সৈতে জড়িত দুৰ্বৃত্তই পূৰ্বেও এনে ঘটনা সংঘটিত কৰিছে বুলি আমাৰ পশ্চিম কাৰ্বি আংলঙৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰালয়ে কাৰ্বি আংলং জিলাৰ লাংৰকুত সৈনিক স্কুল নিৰ্মাণৰ বাবে এশ কোটি টকাৰ অনুমোদন দিছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমযোগে এইকথা প্ৰকাশ কৰে। ৩৩৫ কোটি ৮৭ লাখ টকাৰ মুঠ আৱণ্টনৰ পৰা এই ধনৰাশি মোকলাই দিয়া হৈছে বুলি তেওঁ প্ৰকাশ কৰে। এই সৈনিক স্কুল নিৰ্মাণে ৰাজ্যখনৰ শিক্ষাৰ্থীসকলক উপকৃত কৰিব বুলি আশা কৰা হৈছে। শিক্ষামন্ত্ৰীগৰাকীয়ে এই ধনৰাশি মোকলাই দিয়াৰ বাবে কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙক ধন্যবাদ জ্ঞাপন কৰে।

০০০০০০০

উচ্চতম ন্যায়ালয়ে মণিপুৰ, অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ডৰ সমষ্টি পুনৰ নিৰ্ধাৰণ প্ৰক্ৰিয়া ৩ মাহৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক সময় নিৰ্ধাৰণ কৰি দিছে। ছ'লিচিটৰ জেনেৰেল তুষাৰ মেহতাৰ অনুৰোধমৰ্মে উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্না নেতৃত্বাধীন বিচাৰপীঠে কেন্দ্ৰীয় চৰকাৰক এই সময় দিয়ে। ন্যায়ালয়ে ইতিপূৰ্বে এই ৰাজ্য তিনিখনত সমষ্টি পুনৰ নিৰ্ধাৰণত হোৱা বিলম্বক লৈ উদ্বেগ প্ৰকাশ কৰিছিল। ৰাজ্য তিনিখনৰ সমষ্টি পুনৰ নিৰ্ধাৰণ দাবী সমিতিয়ে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি ন্যায়ালয়ে এই বিলম্বক লৈ কেন্দ্ৰীয় চৰকাৰক জবাবদিহি কৰে। দাবী সমিতিয়ে উল্লেখ কৰা মতে অসমত ২০২৩ বৰ্ষত এই প্ৰক্ৰিয়া সম্পূৰ্ণ হয় যদিও এই ৰাজ্যকেইখনত এতিয়ালৈকে সমষ্টি পুনৰ নিৰ্ধাৰণৰ পদক্ষেপ লোৱা হোৱা নাই।

০০০০০০০

**সমাপ্ত**